জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩২২/২০২১

শুৱালকুছিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে আয়োজিত ধৰ্মালোচনী সভাত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এগৰাকী শ্ৰেষ্ঠ ভাৰতীয়, সৰ্বকালৰ শ্ৰেষ্ঠ অসমীয়া ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শুৱালকুছিত মহাপুৰুষীয়া ধৰ্মালোচনী সভাৰ উদ্যোগত শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে আয়োজিত ধৰ্মালোচনী সভাত ভাষণ প্ৰদান কৰি কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এগৰাকী শ্ৰেষ্ঠ ভাৰতীয়, সৰ্বকালৰ শ্ৰেষ্ঠ অসমীয়া। বহুমুখী প্ৰতিভাধৰ আৰু বৰ্ণাঢ্য জীৱনশৈলীৰে পূৰ্ণ মহাপুৰুষগৰাকীৰ চিন্তা, কৰ্ম আৰু জীৱন দৰ্শনৰ মাজত অসমীয়া সত্ত্বা উদ্ভাষিত হৈ উঠিছিল। গুৰুজনাই ভিন্নমুখী চেতনাৰে পুষ্ট জাতি-জনগোষ্ঠীসমূহক আধ্যাত্মিক আৰু সাংস্কৃতিক চেতনাৰে একত্ৰিত কৰি বৰ অসমৰ ভেটি নিৰ্মাণ কৰিছিল। তেখেতে ভাৰতীয় সত্ত্বাৰ মাজত অসমীয়া সত্ত্বাক বিকশাই তুলি এক উচ্চ আদৰ্শ প্ৰতিষ্ঠা কৰিছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমীয়া জাতীয় জীৱনৰ বুনিয়াদ মহাপুৰুষগৰাকীয়ে নিৰ্মাণ কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পঞ্চদশ শতিকাত ভাৰতবৰ্ষত যি ভক্তি আন্দোলন ব্যপ্ত হৈ পৰিছিল তাত কেৱল মহাপুৰুষ শংকৰদেৱেহে ভাৰতীয় চেতনাক শীৰ্ষতম পৰ্যায়লৈ লৈ গৈছিল।

মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ গৰাকীয়ে বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানসমূহ লৈ আহি অসমীয়া জাতীয় জীৱনক গৌৰৱান্বিত কৰি তুলিছিল। মহাপুৰুষগৰাকী আছিল এজন সমাজ সংগঠক আৰু সংস্কাৰক। দুবাৰকৈ তীৰ্থ ভ্ৰমণ কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ব্যক্তিত্ব উচ্চতম আলোকেৰে উজলি উঠিছিল। এই ভ্ৰমণৰ জৰিয়তে গুৰুজনাই ভাৰতবৰ্ষ সম্পৰ্কত এক শক্তিশালী ধাৰণা উন্মোচন কৰিব পাৰিছিল। ভাৰতীয় সংস্কৃতিৰ লগতে অসমীয়া সংস্কৃতিক প্ৰতিফলন কৰি সাংস্কৃতিক বান্ধোনেৰে সমন্বয়ৰ ধাৰা শক্তিশালী কৰি তুলিছিল। নামঘৰ আৰু সত্ৰসমূহৰ জৰিয়তে নৱ বৈষ্ণৱ ধৰ্মক বিকশাই তুলি আমাৰ আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক জীৱনশৈলীলৈ অভিনৱত্ব বোৱাই আনিছিল। শংকৰদেৱৰ আদৰ্শৰ বিষয়ে এতিয়াও বহু বিষয় জানিবলৈ বাকী আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বিষয়ত অধিক গৱেষণাৰ প্ৰয়োজন আছে। যোৱা কিছু বছৰৰ পৰা মহাপুৰুষগৰাকীৰ প্ৰকৃত মূল্যায়ণৰ বাবে আগবাঢ়ি অহা পৰিলক্ষিত হৈছে যদিও এই দিশত আৰু অধিক কৰিবলগীয়া আছে। মহাপুৰুষগৰাকীয়ে ব্যক্তি আৰু সমাজ জীৱনৰ মাজত ধৰ্ম আৰু আধ্যাত্মিকতাক সংপৃক্ত কৰি সামাজিক মূল্যবোধৰ ভেটি নিৰ্মাণ কৰিছিল বুলিও তেওঁ কয়। মহাপুৰুষ শংকৰদেৱে যিবোৰ স্থান পৰিদৰ্শন কৰিছিল অথবা যি স্থানত সৃষ্টিশীল কৰ্মত নিয়োজিত হৈছিল সেই স্থানসমূহক সামৰি ৰাজ্য চৰকাৰে ট্যুৰিজিম চাৰ্কিট এটা গঢ়ি তোলাৰ বাবে ইতিমধ্যে

প্ৰয়াস আৰম্ভ কৰিছে। মহাপুৰুষ শংকৰদেৱৰ সৃষ্টিশীলতাৰে ধন্য পাটবাউসীক বৰদোৱাৰ লেখীয়াকৈ নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চ্চা কৰি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই ধৰ্মালোচনী সভাত যোগেশ্বৰ মহন্ত, থানেশ্বৰ মালাকৰ, গৌৰাংগ বৰা, কামৰূপ জিলাৰ উপায়ুক্ত প্ৰমুখ্যে ভক্তবৃন্দ উপস্থিত আছিল।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে শ্ৰীশ্ৰী শংকৰদেৱ ধামলৈ গৈ আন এক ধৰ্মালোচনী সভাত ভাষণ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে লগতে শ্ৰীশ্ৰী শংকৰদেৱ ধামৰ শ্ৰীমন্ত মাধৱদেৱ পুথিভঁৰাল ভৱনৰ শুভ উদ্বোধন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে আজি শুৱালকুছিৰ মহাত্মা গান্ধী ৩০ খন বিচনাযুক্ত গ্ৰাম্য হাস্পতাললৈ গৈ চিকিৎসালয়খনত প্ৰদান কৰি থকা চিকিৎসা সেৱাৰ বুজ লোৱাৰ লগতে চিকিৎসালয়খন উন্নীতকৰণৰ বিষয়েও আলোচনা কৰে। এই আলোচনাৰ সময়ত কামৰূপ জিলাৰ উপায়ুক্ত, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া আৰু চিকিৎসকসকল উপস্থিত থাকে। আজিৰ এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে শুৱালকুছিত নিৰ্মাণৰত ক্ৰীড়া প্ৰকল্পৰ অগ্ৰগতিৰো বুজ লয়।

**পুঃডেঃ**
**১৬-১০-২০২১**